# NSD NEWS BULLETIN
# ALL INDIA RADIO, GUWAHATI

0000000000

**Date :** 02-07-2025
**Time :** 1910 hrs

## *Assamese Evening Bulletin*

## HEADLINES

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী ঘানা, ট্ৰিনিদাদ আৰু টবেগ', আৰ্জেণ্টিনা ব্ৰাজিল আৰু নামিবিয়াৰ ভ্ৰমণ সূচীৰে ইতিমধ্যে ৰাওনা হৈছে।

২। বিজেপিৰ জ্যেষ্ঠ নেতা তথা প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিঙে নৰেন্দ্ৰ মোদী নেতৃত্বাধীন চৰকাৰখনৰ জনসাধাৰণ কেন্দ্ৰিক নীতি আৰু প্ৰকল্পসমূহৰ বিষয়ে জনসচেতনতা বৃদ্ধি কৰাৰ বাবে দলৰ নেতা আৰু কৰ্মীসকলৰ প্ৰতি আহ্বান জনায়।

৩। কেন্দ্ৰীয় সাংস্কৃতিক মন্ত্ৰী গজেন্দ্ৰ সিং শ্বেখাৱাটে আজি নতুন দিল্লীৰ শালিমাৰ বাগত নতুন ৰূপত সজাই তোলা শীশমহল আৰু অন্যান্য ঐতিহ্যমণ্ডিত গাঠনিসমূহ মুকলি কৰে।

৪। অমৰনাথ তীৰ্থযাত্ৰীৰ প্ৰথমটো দল আজি জম্মুৰ পৰা কাশ্মীৰত উপস্থিত হৈছে।

*আৰু*

৫। ভাৰত আৰু ইংলেণ্ডৰ মাজৰ চলিত শৃংখলাৰ দ্বিতীয়খন টেষ্ট মেচ আজি বাৰ্মিংহামৰ এজবেষ্টনত আৰম্ভ হৈছে।

ooooo

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী ঘানা, ট্ৰিনিদাদ আৰু টবেগ', আৰ্জেণ্টিনা ব্ৰাজিল আৰু নামিবিয়াৰ ভ্ৰমণ সূচীৰে ইতিমধ্যে ৰাওনা হৈছে। এই ভ্ৰমণৰ প্ৰথম পৰ্যায়ত শ্ৰী মোদী আজি ঘানাত উপস্থিত হ'ব। ৰাওনা হোৱাৰ পূৰ্বে দিয়া এটা বিবৃতিত প্ৰধানমন্ত্ৰীয়ে কয় যে গ্ল'ৱেল চাউথ অৰ্থাৎ ঔদ্যোগিক আৰু অৰ্থনৈতিক উন্নয়নৰ দিশৰ পৰা পিছপৰা ৰাষ্ট্ৰসমূহৰ ভিতৰত ঘানা ভাৰতৰ গুৰুত্বপূৰ্ণ সহযোগী ৰাষ্ট্ৰ আৰু দেশখনে আফ্ৰিকীয় সংঘ আৰু পশ্চিম আফ্ৰিকীয় ৰাষ্ট্ৰসমূহৰ অৰ্থনৈতিক সম্প্ৰদায়ৰ গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে। ঘানাৰ ভ্ৰমণ সামৰি শ্ৰী মোদী কাইলৈ দুদিনীয়া ভ্ৰমণসূচীৰে ট্ৰিনিদাদ আৰু টবেগ'লৈ ৰাওনা হ'ব। তাত তেওঁ দেশখনৰ ৰাষ্ট্ৰপতি ক্ৰিষ্টাইন কাৰলা কাংগালো আৰু প্ৰধানমন্ত্ৰী কমলা প্ৰসাদ বিছেছৰক সাক্ষাৎ কৰিব। এই ভ্ৰমণে দেশখনৰ সৈতে থকা ভাৰতৰ প্ৰচীন সম্পৰ্ক পুনৰ উজ্জীবিৰত কৰি তোলাৰ সুযোগ প্ৰদান কৰিব বুলি প্ৰধানমন্ত্ৰীয়ে  আশা কৰিছে। ট্ৰিনিডাড আৰু টবেগ'ৰ পৰা শ্ৰীমোদী আৰ্জেণ্টিনালৈ যাব। এয়া হ'ব বিগত ৫৭ বছৰত কোনো এগৰাকী ভাৰতীয় প্ৰধানমন্ত্ৰীৰ প্ৰথম আৰ্জেণ্টিনা ভ্ৰমণ। ভ্ৰমণকালত শ্ৰীমোদীয়ে আৰ্জেণ্টিনাৰ ৰাষ্ট্ৰপতি জাভিয়েৰ মাইলৰ সৈতে দ্বিপাক্ষিক আলোচনাত মিলিত হ'ব।

ব্ৰাজিলত শ্ৰীমোদীয়ে ছয় আৰু সাত জুলাইত ৰিঅ' ডি জেনেৰিঅ'ত হ'বলগীয়া ব্ৰীকছ্ শীৰ্ষ সন্মিলনত ভাগ ল'ব।  ব্ৰীকছ্ শীৰ্ষ সন্মিলনত ভাগ লোৱাৰ সুযোগতে শ্ৰীমোদীয়ে কেইবাখনো দেশৰ নেতৃবৰ্গক দেখা কৰিব। তেওঁ দ্বিপাক্ষিক আনুষ্ঠানিক ভ্ৰমণসূচীৰে ব্ৰাচিলীয়ালৈ যাব। এয়া হ'ব বিগত ছটা দশকত কোনো

ভাৰতীয় প্ৰধানমন্ত্ৰীৰ প্ৰথম ব্ৰাচিলীয়া ভ্ৰমণ। এই ভ্ৰমণে দুয়োখন দেশৰ মাজৰ ঘনিষ্ঠ সম্বন্ধ অধিক সুদৃঢ় কৰাৰ আৰু গ্ল'বেল চাউথৰ অগ্ৰাধিকাৰৰ বিষয়সমূহ আগবঢ়াই নিয়াৰ বাবে ব্ৰাজিলৰ ৰাষ্ট্ৰপতি লুইচ এনাচিঅ' লুলা দি চিলভাৰ সৈতে আলোচনা কৰাৰ সুযোগ প্ৰদান কৰিব।

ভ্ৰমণৰ অন্তিম পৰ্যায়ত প্ৰধানমন্ত্ৰী মোদী নামিবিয়াত উপস্থিত হ'ব। তাত তেওঁ দেশখনৰ ৰাষ্ট্ৰপতি ড০ নিতম্বো নন্দী নডেটৱাৰ সৈতে বিভিন্ন ক্ষেত্ৰত লাভদায়ক সহযোগিতা সম্পৰ্কে আলোচনা কৰিব। নামিবিয়া ভাৰতৰ নিৰ্ভৰযোগ্য সহযোগী বুলি উল্লেখ কৰি প্ৰধানমন্ত্ৰীয়ে কয় যে দুয়োখন দেশে ঔপনিবেশিকবাদৰ বিৰুদ্ধে ঐতিহাসিক সংঘৰ্ষত ব্ৰতী হৈছিল। শ্ৰীমোদীয়ে নামিবিয়াৰ সংসদৰ যুটিয়া অধিবেশনতো ভাষণ দিব।

ooooo

বিজেপিৰ জ্যেষ্ঠ নেতা তথা প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিঙে নৰেন্দ্ৰ মোদী নেতৃত্বাধীন চৰকাৰখনৰ জনসাধাৰণ কেন্দ্ৰিক নীতি আৰু প্ৰকল্পসমূহৰ বিষয়ে জনসচেতনতা বৃদ্ধি কৰাৰ বাবে দলৰ নেতা আৰু কৰ্মীসকলৰ প্ৰতি আহ্বান জনায়। তেওঁ কয় যে বিগত ১১ বছৰত এই নীতি আৰু প্ৰকল্পসমূহে জনসাধাৰণৰ জীৱনলৈ অভূতপূৰ্ব পৰিৱৰ্তন আনিবলৈ সমৰ্থ হৈছে। বিহাৰৰ পাটনাৰ জ্ঞান ভৱনত আজি অনুষ্ঠিত ৰাজ্যিক বিজেপিৰ কাৰ্যকৰী সমিতিৰ এখন বৈঠকত ভাষণ দি শ্ৰীসিঙে এই বিষয়ে প্ৰকাশ কৰে। তেওঁ আৰ জে ডি আৰু কংগ্ৰেছে সংবিধান সন্দৰ্ভত দিয়া ভুৱা ব্যাখ্যাসমূহ ফাদিল কৰিবলৈও দলীয় কৰ্মীসকলৰ প্ৰতি আহ্বান জনায়। আৰ জে ডিৰ মুৰব্বী লালু প্ৰসাদক সমালোচনা কৰি মন্ত্ৰীগৰাকীয়ে কয় যে জননায়ক কপুৰী ঠাকুৰ আৰু বাবাচাহেব ড০ ভীমৰাও আম্বেদকাৰৰ প্ৰতি তেওঁৰ কোনো ধৰণৰ সন্মান নাই। আৰ জে ডি আৰু কংগ্ৰেছক সমালোচনা কৰি শ্ৰীসিঙে কয় যে শাসনত থকাটোৱেই এই বিৰোধী দল দুটাৰ মূল উদ্দেশ্য। ইয়াৰ বিপৰীতে বিজেপিয়ে প্ৰতিগৰাকী ভাৰতীয় নাগৰিকক আত্মসন্মান আৰু মৰ্যাদাৰে জীয়াই থকাটো সুনিশ্চিত কৰাৰ গুৰুত্ব আৰোপ কৰে। তেওঁ কয় যে বিগত ১১ বছৰত মোদী চৰকাৰে বিহাৰকে ধৰি সমগ্ৰ ভাৰতবৰ্ষতেই উন্নয়নৰ দিশে আগবঢ়াই লৈ গৈছে।

ooooo

কেন্দ্ৰীয় সাংস্কৃতিক মন্ত্ৰী গজেন্দ্ৰ সিং শ্বেখাৱাটে আজি নতুন দিল্লীৰ শালিমাৰ বাগত নতুন ৰূপত সজাই তোলা শীশমহল আৰু অন্যান্য ঐতিহ্যমণ্ডিত গাঠনিসমূহ মুকলি কৰে। এই উপলক্ষে দিয়া ভাষণত শ্ৰীশ্বেখাৱাটে উদ্যোনখনৰ পুনৰনিৰ্মাণ কাৰ্য সম্পূৰ্ণ কৰাৰ বাবে পুৰাতত্ব জৰীপ বিভাগ আৰু দিল্লী উন্নয়ন প্ৰাধিকৰণৰ শলাগ লয়। এই উদ্যানখন শীঘ্ৰেই ৰাষ্ট্ৰীয় ৰাজধানী ক্ষেত্ৰখনৰ কেন্দ্ৰবিন্দু হৈ পৰিব বুলি তেওঁ আশা প্ৰকাশ কৰে। মন্ত্ৰীগৰাকীয়ে এই উদ্যানখনৰ সংৰক্ষণৰ বাবে নিজ নিজ দায়িত্ব পালন কৰিবলৈ জনসাধাৰণৰ প্ৰতি আহ্বান জনায়।

এই উপলক্ষে দিয়া ভাষণত দিল্লীৰ উপ-ৰাজ্যপাল ভি কে চাক্সেনাই কয় যে এই উদ্যানখন পুনৰ বিকশাই তোলাৰ ক্ষেত্ৰত পূৰ্বৰ চৰকাৰখনে কোনো ধৰণৰ পদক্ষেপ গ্ৰহণ কৰা নাছিল। তেওঁ কয় যে উদ্যানখনৰ প্ৰতি টুকুৰা ইটা ইয়াৰ ইতিহাসৰ সৈতে জড়িত হৈ আছে। দিল্লী উন্নয়ন প্ৰাধিকৰণ আৰু পুৰাতত্ব জৰীপ বিভাগে এই উদ্যানখনৰ প্ৰায় ৩০০ বছৰীয়া পুৰণি পানী ওলাই যোৱা বাটটো শীঘ্ৰেই কাৰ্যক্ষম কৰি তুলিব বুলি মন্ত্ৰীগৰাকীয়ে লগতে প্ৰকাশ কৰে। দিল্লীৰ মুখ্যমন্ত্ৰী ৰেখা গুপ্তাইও উদ্যানখন সংৰক্ষণৰ ক্ষেত্ৰত জনসাধাৰণৰ দায়িত্ব সন্দৰ্ভত আলোকপাত কৰে।

ooooo

অমৰনাথ তীৰ্থযাত্ৰীৰ প্ৰথমটো দল আজি জম্মুৰ পৰা কাশ্মীৰত উপস্থিত হৈছে। উপ-ৰাজ্যপাল মনোজ সিন্‌হাই আজি পুৱতি নিশা জম্মুৰ ভাগৱতী নগৰ বেছ কেম্পৰ পৰা শ্ৰীঅমৰনাথজী পৱিত্ৰ গুহা অভিমুখে ৰাওনা হোৱা প্ৰথম দলটোৰ যাত্ৰা পতাকা জোকাৰি শুভাৰম্ভ কৰে। তীৰ্থযাত্ৰীসকলক আদৰাৰ বাবে দক্ষিণ কাশ্মীৰৰ আৰক্ষী উপ-মহপৰিদৰ্শক জাভিদ ইকবাল মাটু, কুলগামৰ উপায়ুক্ত আথৰ আমিৰ খানৰ লগতে কুলগামৰ জ্যেষ্ঠ আৰক্ষী অধীক্ষক শ্বাহিল ছাৰাংগন দক্ষিণ কাশ্মীৰৰ নৱযুগ সুৰংগৰ সমীপত উপস্থিত থাকে। এইবাৰ তীৰ্থযাত্ৰীসকলৰ যাত্ৰা সুচল আৰু সুৰক্ষিত কৰাৰ উদ্দেশ্যে অতিৰিক্ত নিৰাপত্তা ব্যৱস্থা গ্ৰহণ কৰা হৈছে।

ooooo

লোকসভাৰ অধ্যক্ষ ওম বিৰলাই কাইলৈ হাৰিয়ানাৰ মানেচৰত আন্তঃৰাষ্ট্ৰীয় যান-বাহন প্ৰযুক্তি কেন্দ্ৰত ৰাজ্য আৰু কেন্দ্ৰীয় শাসিত অঞ্চলসমূহৰ নগৰীয়া স্থানীয় নিকায়সমূহৰ অধ্যক্ষসকলৰ ৰাষ্ট্ৰীয় পৰ্যায়ৰ এখন সন্মিলন মুকলি কৰিব। দুদিনীয়া এই সন্মিলনৰ বিষয়বস্তু হৈছে - ৰাষ্ট্ৰ গঠন আৰু সাংবিধানিক গণতন্ত্ৰ শক্তিশালী কৰাৰ ক্ষেত্ৰত নগৰীয়া স্থানীয় নিকায়সমূহৰ ভূমিকা। গণতান্ত্ৰিক প্ৰতিষ্ঠানসমূহ শক্তিশালী কৰাৰ লগতে সাম্প্ৰতিক যুগত নগৰীয়া শাসন ব্যৱস্থাৰ উদ্ভাৱনীমূলক দিশসমূহত আলোকপাত কৰাই এই সন্মিলনৰ মূল উদ্দেশ্য।

ooooo

বৈদেশিক পৰিক্ৰমা মন্ত্ৰী ড০ এছ্ জয়শংকৰে ফিলিপাইনছ্‌ৰ বিদেশ মন্ত্ৰী হিচাপে নিযুক্তি লাভ কৰা মাৰিয়া থেৰেছা লাজাৰোক অভিনন্দন জ্ঞাপন কৰিছে। সামাজিক মাধ্যমৰ এটা বাৰ্তাত ড০ জয়শংকৰে কয় যে ভাৰত আৰু ফিলিপাইনছ্‌ৰ মাজত থকা সম্পৰ্ক অধিক শক্তিশালী কৰাৰ ক্ষেত্ৰত দেশখনৰ সৈতে সহযোগিতাৰে কাম কৰি যাবলৈ তেওঁ আগ্ৰহী।

ooooo

নিয়োগৰ সৈতে জড়িত উদগণি আঁচনিৰ অধীনত অহা চাৰি বছৰত কৰ্মচাৰী আৰু মালিকসকলক ১ লাখ কোটি টকা প্ৰদান কৰা হ'ব। কেন্দ্ৰীয় শ্ৰম আৰু নিয়োগ মন্ত্ৰী মনসুখ মাণ্ডাৱিয়াই আজি নতুন দিল্লীত সাংবাদিকৰ আগত এই কথা প্ৰকাশ কৰি কয় যে চৰকাৰৰ নিয়োগকেন্দ্ৰিক নীতিৰ ফলস্বৰূপে এই আঁচনিখন ৰূপায়ণ কৰা হৈছে। তেওঁ কয় যে এই আঁচনিৰ অধীনত নতুনকৈ নিয়োগ লাভ কৰা যিকোনো যুৱকক বছৰত দুবাৰকৈ ৭ হাজাৰ ৫০০ টকাকৈ দিয়া হ'ব। শ্ৰীমাণ্ডাৱিয়াই লগতে দেশৰ যুৱক-যুৱতীসকলৰ নিয়োগ নিশ্চিত কৰাৰ ক্ষেত্ৰত প্ৰধানমন্ত্ৰী মোদীৰ পাঁচ বছৰীয়া কাৰ্যসূচীতো আলোকপাত কৰে।

ooooo

দুহেজাৰ কোটিৰো অধিক টকা ব্যয়সাপেক্ষে দিল্লী আৰু জয়পুৰৰ মাজত নিৰ্মাণ কৰা ৬৬ দশমিক ৯-১ কিলোমিটাৰ দৈৰ্ঘ্যৰ চাৰিলেনযুক্ত গ্ৰীণফিল্ড বাণ্ডিকুই পথ প্ৰকল্পৰ কাম সফলভাৱে সম্পূৰ্ণ হৈছে। কেন্দ্ৰীয় পথ পৰিবহন আৰু ঘাইপথ মন্ত্ৰী নীতিন গাডকাৰীয়ে সামাজিক মাধ্যমৰ এটা বাৰ্তাত এই কথা প্ৰকাশ কৰি কয় যে কৌশলগতভাৱে গুৰুত্বপূৰ্ণ এই প্ৰকল্পই দিল্লী-বডোডৰা এক্সপ্ৰেছ্ ৱে' আৰু জয়পুৰৰ মাজত পোনপটীয়া যোগাযোগ গঢ়ি তুলিছে। এই পোনপটীয়া পথ যোগাযোগ ব্যৱস্থাই পূৰ্বে যাত্ৰীসকলে দীঘলীয়া পথেৰে যথেষ্ট ইন্ধন ব্যয় কৰি কৰা যাত্ৰাৰ অন্ত পেলাব বুলি মন্ত্ৰীগৰাকীয়ে উল্লেখ কৰে। তেওঁ লগতে কয়

যে এই নতুন পথছোৱাই দিল্লী আৰু জয়পুৰৰ মাজত যাত্ৰাৰ সময় পূৰ্বৰ ৩ ঘণ্টা ৪৫ মিনিটৰ পৰিৱৰ্তে ৩ ঘণ্টালৈ হ্ৰাস কৰিব।

০০০০০

তেলেংগানাৰ ছাংগাৰেড্ডী জিলাত ছিগাছি ইণ্ডাষ্ট্ৰীজ লিমিটেডৰ এটা শাখাত যোৱা সোমবাৰে হোৱা দুৰ্ঘটনাত মৃত্যু হোৱা লোকসকলৰ নিকটাত্মীয়লৈ কোম্পানীটোৱে ১ কোটি টকাৰ এককালীন সাহায্য ঘোষণা কৰিছে। দুৰ্ঘটনাত আঘাতপ্ৰাপ্তসকলক সকলো ধৰণৰ চিকিৎসা সুবিধা প্ৰদানৰ লগতে তেওঁলোকক পুনৰসংস্থাপনৰ ক্ষেত্ৰত যাৱতীয় সহায় প্ৰদান কৰা হ'ব বুলি কোম্পানীটোৱে এটা বিবৃতিত প্ৰকাশ কৰে। এই দুৰ্ঘটনাত ৪০জন কৰ্মচাৰীৰ মৃত্যু হোৱাৰ লগতে ৩৩জন আহত হয়। ইতিমধ্যে ক্ষতিগ্ৰস্ত পৰিয়ালক সমৰ্থন আগবঢ়োৱা হৈছে আৰু তদন্ত প্ৰক্ৰিয়াত পূৰ্ণ সহযোগিতা আগবঢ়োৱা হৈছে বুলি বিবৃতিটোত প্ৰকাশ পাইছে।

০০০০০

ভাৰত আৰু ইংলেণ্ডৰ মাজৰ চলিত শৃংখলাৰ দ্বিতীয়খন টেষ্ট মেচ আজি বাৰ্মিংহামৰ এজবেষ্টনত আৰম্ভ হৈছে। এইখন খেলতো ইংলেণ্ডৰ অধিনায়ক বেন ষ্ট'কে টচত জিকি ভাৰতক বেট ধৰিবলৈ আমন্ত্ৰণ জনায়। ভাৰতে আমালৈ বাতৰি অহাৰ পৰলৈকে দুটা উইকেট হেৰুৱাই ১৩৩ ৰান সংগ্ৰহ কৰিছে। য়শ্বসী জয়ছোৱালে ৭৭ আৰু শুভমন গীলে ২১ ৰান কৰি খেলি আছে।  ইয়াৰ পূৰ্বে কে এল ৰাহুলে মাত্ৰ দুই ৰান আৰু কৰুণ নায়াৰে ৩১ ৰান কৰি আউট হয়। আজি ভাৰতীয় দলত ৱাশ্বিংটন সুন্দৰ আৰু আকাশদীপক অন্তৰ্ভুক্ত কৰা হৈছে।

০০০০০

অণ্টেৰিঅ'ত অনুষ্ঠিত কানাডা অ'পেন বেডমিণ্টন প্ৰতিযোগিতাৰ মহিলাৰ ছিংগলছৰ যোগ্যতা নিৰ্ণয়কাৰী এখন খেলত আজি ভাৰতৰ ইৰা শৰ্মাই জাৰ্মানীৰ মিৰান্দা উইলছনক ২-০ গেমত পৰাস্ত কৰে। প্ৰতিযোগিতাৰ কাইলৈ হ'বলগীয়া এখন খেলত ইৰা, বুলগেৰিয়াৰ কালোয়ানা নালবাণ্টোভাৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। ইপিনে, পুৰুষৰ ছিংগলছৰ যোগ্যতা নিৰ্ণয়কাৰী এখন খেলত ভাৰতৰ চিৰাগ সেন মালয়েছিয়াৰ ইয়োজেন য়ুয়ি হাতত ০-২ গেমত পৰাস্ত হয়।

০০০০০

**সমাপ্ত**